# দিছপুৰ মহাবিদ্যালয়লৈ 'নাক'ৰ এ গ্ৰেড

## মহাবিদ্যালয়খনৰ সফলতাত উৎফুল্লিত শিক্ষক-শিক্ষাৰ্থী

**গুৱাহাটী, ৩০ নৱেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ মাজমজিয়াত থকা দিছপুৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যৰ্পণ পৰিষদ, চমুকৈ নাকৰ দ্বাৰা 'এ' গ্ৰেড প্ৰদান কৰা হৈছে। এই স্বীকৃতিয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলকো উৎফুল্লিত কৰে। যোৱা জুলাই মাহত স্ব-অধ্যয়ন প্ৰতিবেদন দাখিল কৰা মহাবিদ্যালয়ত যোৱা ১৮ আৰু ১৯ নৱেম্বৰত অধ্যাপক এন ভি কল্যাণকৰ (প্ৰাক্তন উপাচাৰ্য, গণ্ডৱানা বিশ্ববিদ্যালয়, মহাৰাষ্ট্ৰ), অধ্যাপক নীলেশ অৰোৰা (চণ্ডীগড় বিশ্ববিদ্যালয়) আৰু ড° সংযুক্তা মহাপাত্ৰ (প্ৰাক্তন অধ্যক্ষ, শৈলবালা মহিলা মহাবিদ্যালয়, কটক)ৰ দ্বাৰা গঠিত নাক সহকৰ্মী দলে ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু মূল্যায়ন কৰে। মূল্যায়নৰ অন্তত ৭ টা ক্ষেত্ৰত মহাবিদ্যালয়খনে আগবঢ়োৱা উল্লেখনীয় অৱদান আৰু কৃতকাৰ্যৰ বাবে নাক-এ উক্ত গ্ৰেড প্ৰদান কৰে। মহাবিদ্যালয়খনৰ এই উল্লেখনীয় সফলতাত সক্ৰিয় সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসৰ লগতে সদস্যসকল, প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ সন্মিলনী, অভিভাৱক সংস্থা, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আদিকে প্ৰমুখ্য কৰি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। উল্লেখনীয় যে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° সুনীতা আগৰৱালা, সহকাৰী সমন্বয়কদ্বয় ড° শিখাজ্যোতি ডেকা আৰু ড° স্মৃতি দেউৰী, প্ৰাক্তন সমন্বয়ক ড° অজয় মিত্ৰৰ লগতে অন্যান্য মাপকাঠী সমন্বয়কসকলৰ নেতৃত্বত আৰু মহাবিদ্যালয়ৰ অধ্যক্ষৰ তত্ত্বাৱধানত চলা নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খনে অৰ্জন কৰা এই সফলতাই অনুষ্ঠানটোৰ লগত জড়িত সকলোকে আনন্দিত কৰিছে। ১৯৭৮ চনত গুৱাহাটী মহানগৰীৰ গণেশগুৰিৰ দৰে কেন্দ্ৰস্থলত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনত বৰ্তমানে কলা, বাণিজ্য, বি বি এ, বি চি এ পাঠ্যক্ৰমৰ লগতে উচ্চতৰ মাধ্যমিক স্তৰত প্ৰায় ৩,০০০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰি আছে। অধ্যক্ষ ড° নৱজ্যোতি বৰাই 'নাক'ৰ দ্বাৰা প্ৰদান কৰা এই স্বীকৃতি আগত দিনত মহাবিদ্যালয়খনক শৈক্ষিক আৰু সামাজিকভাৱে অধিক দায়বদ্ধ কৰি তুলিব বুলি প্ৰেছ বিবৃতিযোগে ব্যক্ত কৰে।